# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 18-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পেৰিছত ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ সৈতে ভিভা টেক-২০২৬ অনুষ্ঠানত অংশ ল'ব।

২। প্ৰধানমন্ত্ৰী মোদীয়ে কালি ফ্ৰান্সৰ ইভিয়ানত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে মধ্যপ্ৰদেশ আৰু ওড়িশা ভ্ৰমণ কৰিব।

৪। ঝাৰখণ্ডৰ ৰাজ্যসভাৰ দুখন আসনৰ বাবে আজি ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। *আৰু*

৫। ফিফা বিশ্বকাপ ফুটবলত ইংলেণ্ডে ক্ৰ'ৱেছিয়াৰ বিৰুদ্ধে ৪-২ গ'লত জয়েৰে অভিযান আৰম্ভ কৰিছে।

ooooo

ফ্ৰান্স ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱা নিশা পেৰিছত উপস্থিত হয়। ৰাজধানী চহৰখনত উপস্থিত হোৱাৰ লগে লগে পেৰিছত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে প্ৰধানমন্ত্ৰীক আন্তৰিক আদৰণি জনায়। পেৰিছত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ সৈতে ভিভা টেক-২০২৬ শীৰ্ষক অনুষ্ঠানত অংশ ল'ব। ভিভা টেক সন্মিলন ইউৰোপৰ সৰ্ববৃহৎ প্ৰযুক্তি আৰু ষ্টাৰ্টআপ কাৰ্যসূচী আৰু এই অনুষ্ঠানত শ্ৰীমোদীয়ে ভাৰতৰ ক্ৰমবিকশিত উদ্ভাৱনী ব্যৱস্থা আৰু প্ৰযুক্তিগত অগ্ৰগতি সম্পৰ্কত আলোকপাত কৰিব বুলি আশা কৰা হৈছে। এই সন্মিলনত ভাৰত আৰু ইউৰোপীয় উদ্ভাৱনী পৰিৱেশ তন্ত্ৰৰ অংশ হিচাপে ভাৰতে সৰ্ববৃহৎ ৰাষ্ট্ৰীয় মণ্ডপ মুকলি কৰিছে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানত অংশ লোৱাৰ পাছতে এটা বিশেষ অনুষ্ঠানত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমোদীয়ে পেৰিছত উপস্থিত হোৱাৰ পূৰ্বে প্ৰশাসন আৰু নীতি প্ৰণয়ন সম্পৰ্কীয় জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনৰ কেইবাখনো ফলপ্ৰসূ বৈঠকত অংশ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে কয়, যে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰৰ সমৃদ্ধি আৰু সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ গোলকীয় দক্ষিণৰ সৈতে কাম কৰাৰ সুযোগৰ সদব্যৱহাৰ কৰিবলৈ সমৰ্থ হৈছে। এই সন্মিলনৰ আন এখন সত্ৰত শ্ৰীমোদীয়ে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠী, ভাৰত আৰু গোলকীয় দক্ষিণৰ মাজত যোগাযোগ আৰু বাণিজ্য শক্তিশালী কৰাৰ দিশত বিশেষ পৰিকাঠামো যুগুতোৱাই উলিওৱাৰ প্ৰস্তাৱ দিয়ে। তেওঁ পশ্চিম এছিয়াৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উন্নয়নশীল দেশসমূহে সন্মুখীন হ'বলগীয়া দীৰ্ঘকালীন পৰিণাম সন্দৰ্ভতো উদ্বেগ ব্যক্ত কৰে। এই সন্মিলনত অংশ লোৱাৰ সমান্তৰালভাৱে শ্ৰীমোদীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰ, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কি, জাৰ্মান চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জ, আৰব আমিৰ ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহিয়ানকে ধৰি কেইবাগৰাকীও বিশ্বনেতাক সাক্ষাৎ কৰে।

পেৰিছত প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু ফ্ৰান্সৰ প্ৰযুক্তি, উদ্ভাৱন আৰু জনসাধাৰণৰ মাজত বান্ধোন শক্তিশালী কৰা সন্দৰ্ভত আলোচনাত মিলিত হ'ব। ফ্ৰান্সে সুদীৰ্ঘ দিন ধৰি প্ৰতিৰক্ষা, মহাকাশ, পাৰমাণৱিক শক্তি আৰু সাংস্কৃতিক বিনিময় ক্ষেত্ৰত ভাৰতৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি আহিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ফ্ৰান্সৰ ইভিয়ানত জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠী সন্মিলনত অংশ লোৱাৰ পাছতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই ভাৰত-আমেৰিকা কম্পেক্ট উদ্যমৰ অংশ হিচাপে প্ৰতিৰক্ষা, বাণিজ্য, ইন্ধনকে ধৰি বিভিন্ন ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ভাৰত-আমেৰিকা সৰ্বাত্মক গোলকীয় কৌশলগত অংশীদাৰিত্ব শক্তিশালীকৰণ আৰু শান্তি, সুস্থিৰতা তথা ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি, সমৃদ্ধি বৰ্তাই ৰখাৰ বাবে দুয়োগৰাকী নেতাই তেওঁলোকৰ প্ৰতিশ্ৰুতি দোহাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিম এছিয়াত শান্তি আৰু সুস্থিৰতা পুনৰ ঘূৰাই অনাৰ বাবে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ প্ৰচেষ্টাৰ শলাগ লয়। জনসাধাৰণ আৰু নাৰিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ ওপৰত শ্ৰীমোদীয়ে গুৰুত্ব আৰোপ কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে মধ্যপ্ৰদেশ আৰু ওড়িশা ভ্ৰমণ কৰিব। আজি ভ্ৰমণৰ প্ৰথম দিনা তেওঁ বেটুলত আধ্যাত্মিক জাগৰণৰ জৰিয়তে জনজাতীয় সমাজৰ সৱলীকৰণ বিষয়ক ব্ৰহ্মকুমাৰীৰ এটা অনুষ্ঠানত অংশ ল'ব। সন্ধিয়াৰ ভাগলৈ তেওঁ ঔমকাৰেশ্বৰ মন্দিৰত সন্ধিয়াৰ আৰতীত অংশগ্ৰহণ কৰিব। কাইলৈ শ্ৰীমতী মুৰ্মু আন্তঃৰাষ্ট্ৰীয় চিকেলচেল ৰক্তাল্পতা দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকিব। একেদিনাই ৰাষ্ট্ৰপতিগৰাকীয়ে ওড়িশাত এইমছ ভূৱনেশ্বৰৰ উদ্যোগত এটা চিকিৎসা শিবিৰ মুকলি কৰিব। তেওঁ ৰাজ্যখনৰ ৰায়ৰাংপুৰৰ কুসুমী উন্নয়ন খণ্ডত খনন কাৰ্যৰ দ্বাৰা প্ৰভাৱিত লোকসকলৰ বাবে এটা বৃহৎ সংহত গ্ৰামীণ নলযোগে পানীযোগান প্ৰকল্প মুকলি কৰিব। শনিবাৰে শ্ৰীমতী মুৰ্মুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে পাহাৰপুৰৰ কেইবাখনো বিদ্যালয় আৰু দক্ষতা কেন্দ্ৰ পৰিদৰ্শন কৰি শিশু আৰু হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। সেইদিনাই তেওঁলোকে ৰায়ৰাংপুৰৰ এখন জনসভাত অংশ ল'ব।

অহা ২১ জুনত ৰাষ্ট্ৰপতিগৰাকীয়ে জবলপুৰত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত ভাগ লোৱাৰ লগতে ৰাণী দুৰ্গাৱতী বিশ্ববিদ্যালয়ৰ ৩৬ সংখ্যক সমাৱৰ্তন সমাৰোহত মুখ্য অতিথিৰূপে উপস্থিত থাকিব। ভ্ৰমণৰ অন্তিম দিনা ৰাষ্ট্ৰপতিয়ে বনাঞ্চলত বাস কৰা ছাহাৰীয়া জনজাতি, চিতাবাঘ নিৰীক্ষণকাৰী আৰু টুৰিষ্ট গাইডসকলৰ সৈতে কুনো ৰাষ্ট্ৰীয় উদ্যানত মত বিনিময় কৰিব। অহা ২২ জুনত তেওঁ দিল্লীলৈ উভতি যাব।

ooooo

ঝাৰখণ্ডৰ ৰাজ্যসভাৰ দুখন আসনৰ বাবে আজি ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ বিধানসভা ভৱনত পুৱা ৯ বজাত পৰা আৰম্ভ হ'বলগীয়া এই ভোটগ্ৰহণ বিয়লি ৪ বজালৈ চলিব। নিৰ্বাচনত ঝাৰখণ্ড মুক্তি মৰ্চাৰ বৈদ্যনাথ ৰাম, কংগ্ৰেছৰ প্ৰণৱ ঝা আৰু নিৰ্দলীয় প্ৰাৰ্থী পৰিমল নথৱানিয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। মুঠ ৮১ গৰাকী বিধায়কে এই নিৰ্বাচনত ভোটদান কৰিব। বৰ্তমানৰ শাসকীয় মিত্ৰজোঁটৰ সৈতে ঝাৰখণ্ড মুক্তি মৰ্চা, কংগ্ৰেছ, আৰজেডি আৰু চি পি আই এম এল-ৰ মুঠ ৫৬ গৰাকী বিধায়কৰ সমৰ্থন থকাৰ বিপৰীতে, বিৰোধী পক্ষৰ ২৪ গৰাকী বিধায়কে নিৰ্দলীয় প্ৰাৰ্থীগৰাকীক সমৰ্থন আগবঢ়াইছে। আজি বিয়লি ৫ বজাত ভোট গণনা সম্পন্ন হোৱাৰ পাছতে ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

২১ জুনত উদযাপন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বাবে YOGA SANGAM প'ৰ্টেলত এক লাখ ৭০ হাজাৰৰো অধিক উদ্যোক্তাই তেওঁলোকৰ কাৰ্যসূচী পঞ্জীয়ন কৰিছে বুলি কেন্দ্ৰীয় আয়ুষ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই উৎসাহপূৰ্ণ সঁহাৰিয়ে সমগ্ৰ বিশ্বত যোগৰ বাৰ্তা, প্ৰসাৰণ ক্ষেত্ৰত বিভিন্ন সংস্থা, প্ৰতিষ্ঠান আৰু সমুদায়সমূহৰ ক্ৰমবৰ্ধিত অংশীদাৰিত্বকে প্ৰতিপন্ন কৰিছে। এই কাৰ্যসূচীৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি আয়ুষ মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে কয়, যে সুস্থতা ৰক্ষাৰ মাধ্যমেৰে একতাক উদযাপনৰ যোগ সংগম গুৰুত্বপূৰ্ণ পদক্ষেপ। দেশৰ সহস্ৰাধিক স্থানত সমূহীয়াভাৱে যোগৰ নীতিসমূহ ৰক্ষা কৰি যোগাভ্যাসে ৰাষ্ট্ৰীয় একতা শক্তিশালী কৰাৰ লগতে সুস্থ জীৱনশৈলী গঢ়ি তোলাত সহায় কৰিব আৰু ভাৰতক যোগাভ্যাসৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰবিন্দু হিচাপে পুনৰবাৰ প্ৰমাণিত কৰিব বুলি তেওঁ মন্তব্য কৰে। চৰকাৰে যোগৰ সুফলসমূহ সমাজৰ প্ৰতিটো স্তৰৰ জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ লক্ষ্য লৈছে বুলি তেওঁ কয়।

০০০০০

ফিফা বিশ্বকাপ ফুটবলত ইংলেণ্ডে ক্ৰ'ৱেশিয়াৰ বিৰুদ্ধে ৪-২ গ'লত জয়লাভেৰে নিজৰ অভিযান আৰম্ভ কৰিছে। আমেৰিকাৰ ডালাছত অনুষ্ঠিত খেলখনৰ প্ৰথমাৰ্ধত ইংলেণ্ডৰ অধিনায়ক হেৰী কেনে ১২ আৰু ৪২ মিনিটত পেনাল্টিৰ জৰিয়তে দুটা গ'ল কৰাৰ বিপৰীতে ক্ৰ'ৱেশিয়াৰ হৈ মাৰ্টিন বাটুৰিনাই ৩৬ মিনিটত আৰু পেটৰ মুছাই ৪৫ মিনিটত এটাকৈ গ'ল কৰি সমতা স্থাপন কৰে। পাছলৈ দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে ৪৭ মিনিটত জুড বেলিঙাম আৰু ৮৫ মিনিটত মাৰ্কাছ ৰেশ্‌্ব-ফ'ৰ্ডে একোটাকৈ গ'ল কৰি ইংলেণ্ডৰ জয় নিশ্চিত কৰে।

প্ৰতিযোগিতাৰ আন এখন খেলত পৰ্তুগাল ডি আৰ কংগোৰ বিৰুদ্ধে ১-১ গ'লত ড্ৰ'তে সন্তুষ্ট থাকিবলগীয়া হয়। খেলখনত পৰ্তুগালৰ জাও নেভেছে ষষ্ঠ মিনিটত গ'ল কৰি দলক অগ্ৰগতি দিয়ে যদিও ৪৫ মিনিটত ডি আৰ কংগোৰ হৈ ইয়ন ৱিছাই সমতা স্থাপন কৰে। এই খেলখনৰ জৰিয়তে পৰ্তুগালৰ অধিনায়ক ক্ৰিষ্টিয়ানো ৰোনাল্ডো ফিফা বিশ্বকাপৰ খেল এখনত আৰম্ভণি কৰা আটাইতকৈ বয়োজ্যেষ্ঠ আউটফিল্ড খেলুৱৈ হিচাপে পৰিগণিত হয়।

ইয়াৰ পূৰ্বৰ খেলসমূহত কালি অষ্ট্ৰিয়াই ৩৬ বছৰৰ পাছত বিশ্বকাপত জয়লাভ কৰি জৰ্ডানক ৩-১ গ'লত পৰাস্ত কৰে। যোৱাবাৰৰ বিজয়ী আৰ্জেন্টিনাই আলজেৰিয়াক ৩-০ গ'লত পৰাস্ত কৰি বিশ্বকাপৰ অভিযান আৰম্ভ কৰে। আৰ্জেন্টিনাৰ তাৰকা খেলুৱৈ লিঅ'নেল মেছিয়ে খেলখনত অৰ্জন কৰা হেট্ৰিকৰ জৰিয়তে মিৰোশ্লাভ ক্ল'জৰ সৰ্বাধিক গ'লৰ অভিলেখ স্পৰ্শ কৰাৰ উপৰি ৩৮ বছৰ বয়সত বিশ্বকাপত হেট্ৰিক কৰা আটাইতকৈ বয়োজ্যেষ্ঠ খেলুৱৈ হিচাপে পৰিগণিত হয়। ইয়াৰ লগতে, প্ৰতিযোগোতাৰ গ্ৰুপ আইৰ আন এখন খেলত ন'ৰৱেই ইৰাকক ৪-১ গ'লত পৰাস্ত কৰে।

০০০০০

আইচিচি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ভাৰতে নেদাৰলেণ্ডছক ৯৫ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। লিডছৰ হেডিংলীত অনুষ্ঠিত গ্ৰুপ এ-ৰ খেলখনত প্ৰথমে বেটিং কৰি ভাৰতে স্মৃতি মান্ধানাৰ ৭৪ আৰু শেফালী বাৰ্মাৰ ৫৫ ৰানৰ অৰিহনাৰে নিৰ্ধাৰিত ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ২১০ ৰানৰ বিজয়লক্ষ্য বান্ধি দিয়ে।

প্ৰত্যুত্তৰত নেদাৰলেণ্ডছে ১৭ অ'ভাৰ আৰু ৩ টা বলত আটাইকেইটা উইকেটৰ বিনিময়ত ১১৪ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ শ্ৰীচৰণীয়ে সৰ্বাধিক চাৰিটা, উইকেট দখল কৰে। স্মৃতি মান্ধানাক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে ঘোষণা কৰা হয়।

ooooo

ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি ভাৰতে আফগানিস্তানক ১৭০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে শৃংখলাত ২-০ৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

লক্ষ্ণৌত অনুষ্ঠিত খেলখনত আফগানিস্তানে টছত জয়ী হৈ ভাৰতক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ পাছত ঘৰুৱা দলটোৱে ৪৯ অ'ভাৰ আৰু ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৪০৩ ৰানৰ বৃহৎ লক্ষ্য বান্ধি দিয়ে। ভাৰতৰ শুভমন গিলে ১৫৪ আৰু ঈশান কিষাণে ১২৫ ৰান কৰে।

প্ৰত্যুত্তৰত ভাৰতীয় বলাৰসকলৰ নিখুত বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ৪৪ অভাৰ ৩টা বলত ২৩২ ৰানতে আলহী দলটোৰ ইনিংছৰ সামৰণি পৰে। ভাৰতৰ হৈ অৰ্শদীপ সিং আৰু গুৰনুৰ ব্ৰাৰে তিনিটাকৈ উইকেট দখল কৰে। শুভমন গিলক প্লেয়াৰ অৱ দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

শৃংখলাটোৰ তৃতীয় তথা অন্তিমখন খেল অহা শনিবাৰে চেন্নাইত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত